কৰা হৈছে।

## ২৮

### ৰাগ — বলাড্ডী ঃ শবৰপাদানাম্

উষ্কা উষ্কা[১] পাবত তঁহি বসই সবৰী বালী।
মোৰঙ্গি পীচ্ছ পৰহিণ সবৰী গিবত গুঞ্জৰী মালী।।ধ্রু।।
উমত সবৰো পাগল শবৰো মা কৰ গুলী গুহাৰা তোহৌৰী[২]।
নিঅ ঘৰিণী নামে সহজ সুন্দাৰী।।ধ্রু।।
ণাণা তৰুবৰ মৌলিল ৰে গঅণত লাগেলি ডালী।
একেলী সৱৰী এ বণ হিণ্ডই কর্ণ কুণ্ডল বজ্রধাৰী।।ধ্রু।।
তিঅ ধাউ খাট পড়িলা[৩] সবৰো মাহসুহে সেজি ছাইলী।
সবৰো ভুজঙ্গ ণইৰামণি দাৰী পেম্মা[৪] ৰাতি পোহাইলী।।ধ্রু।।
হিঅ তাঁবোলা মহাসুহে কাপুৰ খাই।
সুন নিৰামণি কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই।।ধ্রু।।
গুৰুবাক পুঞ্চআ[৫] বি ণিঅ মণে বাণেঁ।
একে সৰসন্ধাণে বিন্ধহ বিন্ধহ পৰম নিবাণেঁ।।ধ্রু।।
উমত সবৰো গৰুআ ৰোষে।
গিৰিবৰ সিহৰ সন্ধি পইসন্তে সবৰো লোড়িব কইসেঁ।।ধ্রু।।

### পাঠান্তৰ

১। উষ্কা উষ্কা, লিপিমতে, সেন, নীসেন ; উচাঁ উচাঁ, শাস্ত্রী, বাগচী। ২। তোহৌৰী, লিপিমতে, নীসেন ; তোহৌৰি, শাস্ত্রী, সেন ; তোহোৰি, বসু, দাশগুপ্ত। ৩। পড়িলা, লিপিমতে, সেন, নীসেন ; পাড়িলা, শাস্ত্রী, বসু। ৪। পেম্মা, শাস্ত্রী, নীসেন ; পেম্হ, সেন। ৫। পুঞ্চআ, শাস্ত্রী, সেন, নীসেন ; পুঞ্চিআ, দাশগুপ্ত, ধনুআ, শহীদুল্লাহ, পুচ্ছিআ, বাগচী।

### গূঢ়াৰ্থ

সুউচ্চ পৰ্বতত বাস কৰা শবৰ-শবৰীৰ প্ৰেম-লীলাৰ বৰ্ণনাৰ যোগেদি এই চৰ্যাগীতটিৰ তত্ত্ব ব্যাখ্যা কৰা হৈছে।

অতি ওখ পৰ্বত, তাতে শবৰ বালিকাই বাস কৰে। তাই খোপাত ময়ুৰৰ পাখি গুজি লৈছে ; ডিঙিত গুঞ্জৰী মালা পিন্ধিছে। তাইৰ ৰূপ দেখি শবৰ ডেকা প্ৰায় উন্মাদ হৈ পৰিছে। তেতিয়া শবৰীয়ে কৈছে — 'হে উন্মত্ত শবৰ, তুমি ভুল নকৰিবা, তোমাক কাকুতি কৰিছো ; মই তোমাৰেই গৃহিণী, নাম মোৰ সহজ-সুন্দৰী।' নানাবিধ তৰুৰাজি মুকুলিত হ'ল ; সিবিলাকৰ ডাল-পাতে আকাশ ছুলে। শবৰীয়ে অকলশৰে এই বনত

ঘুৰি ফুৰে। কাণত কুণ্ডল আৰু কণ্ঠত বজ্ৰ ধাৰণ কৰিছে। শবৰে তিনি ধাতুৰ খাট পাৰিলে, তাতে মহাসুখৰ শয্যা তৈয়াৰ কৰিলে। সেই শয্যাৰ ওপৰত শবৰ যেন ভুজঙ্গ আৰু শবৰীৰূপিণী নৈৰাত্মাদেৱী যেন তেওঁৰ স্ত্ৰী, — উভয়ে প্ৰেম-লীলা খেলি ৰাতি পুৱাই দিলে। হৃদয়ৰূপ তামোল, মহাসুখৰূপ কৰ্পূৰ খাই শূন্য নৈৰাত্মাক কণ্ঠত লৈ পৰম তৃপ্তিত দুয়ো ৰাতি কটালে। গুৰুৰ বাক্যৰূপ ধনুত শৰ জুৰি নিজৰ মনকে বিন্ধিলে। একেপাট শৰ মাৰি পৰম নিৰ্বাণ লাভ কৰিলে। উন্মত্ত শবৰে গুৰুৰ বোসত পৰ্বতৰ শিখৰ সন্ধিত প্ৰৱেশ কৰিছে ; এতিয়া শবৰে কেনেকৈ ঘূৰি যাব? আগৰ অৱস্থাত শবৰক এতিয়া পোৱা নাযায়।

এইয়া হ'ল চৰ্য্যাটিৰ উপৰুৱা ৰূপ-চিত্ৰ। ইয়াৰ মাজেৰে সিদ্ধাচাৰ্য্য শবৰপাদে তত্ত্ব ব্যাখ্যা কৰিছে। চৰ্য্যাত দেহক সুমেৰু পৰ্বত আৰু মূৰক তাৰ শৃঙ্গ হিচাবে অভিজ্ঞান কৰা হৈছে। তান্ত্ৰিক মতে সেই শৃঙ্গতেই সহস্ৰাৰ পদ্ম থাকে।[১৪] সহজীয়া সাধকে এই সহস্ৰাৰ পদ্মক মহাসুখচক্ৰ হিচাপে ধৰি লৈছে। ইয়াত শবৰৰূপী বোধিচিত্তক বজ্ৰধৰ বোলা হৈছে ; সেইদৰে শবৰী বালিকা ৰূপিণী প্ৰকৃতি হৈছে নৈৰাত্মাদেৱী। ধৰ্মকায় বা তথতাৰ পৰা উৎপত্তি হয় বুলি বোধিচিত্ত বিষয়-বাসনাৰ পৰা মুক্ত নহয় ; এইকথা আগতেও কৈ অহা হৈছে। আনহাতে বোধিচিত্ত আৰু নৈৰাত্মাৰ মিলন নহলে সাধনা সিদ্ধ নহয়। অৱশ্যে একান্ত আগ্ৰহশীল সাধকক ইষ্টদেৱতাই সিদ্ধিৰ সন্ধান দিয়ে। ইয়াতো নৈৰাত্মা-শবৰীয়ে বাসনাভিলাসী চিত্ত-শবৰক কৈছে যে অবিদ্যাৰূপ নানা সাজ-সজ্জাই দেহৰ সৌন্দৰ্য্য বঢ়াই মানুহক আকৰ্ষণ কৰাৰ দৰে পাৰ্থিব বিষয়-বাসনাই চিত্তক ভ্ৰমত পেলায়। কিন্তু নৈৰাত্মাদেৱী সকলোৰে উৰ্দ্ধত ; অথচ তেওঁ দেহ-পৰ্বততেই বা এই পৃথিৱীতেই শূন্যতাক অৱলম্বন কৰি ঘূৰি থাকে। গতিকে নৈৰাত্মাই চিত্তক সঁকিয়াই দিছে যে তেওঁ ভ্ৰমত পৰিব নালাগে, অবিদ্যা-প্ৰপঞ্চৰ ভিতৰত থাকিয়ে আৰাধ্যা দেৱীক পাব পাৰে।

এই ইঙ্গিত পাই শবৰে কায়-বাক্-চিত্তৰূপ তিনি ধাতুৰ তৈয়াৰী খাটত মহাসুখৰূপ বিছনা পাৰি নৈৰাত্মাদেৱীৰ প্ৰেমত ৰাতিটো কটালে ; অৰ্থাৎ শবৰে সাধনা যোগে অবিদ্যা-প্ৰপঞ্চ দূৰ কৰিলে। তাৰ পাছত তেওঁ তমোলৰ লগত কৰ্পূৰ খাই অৰ্থাৎ চিত্তক বিশুদ্ধ কৰি তাক অচিত্তত লীন নিয়ালে। এতিয়া স্বভাৱ শূন্য চিত্তই নৈৰাত্মাদেৱীক লাভ কৰিবলৈ সক্ষম হ'ল। এনে অৱস্থা পাবলৈ হলে সাধকে গুৰুৰ উপদেশ সম্পূৰ্ণৰূপে বুজি উঠি তাক আখৰে আখৰে পালন কৰিব লাগে। চৰ্য্যাটিত গুৰুৰ উপদেশক ধনু আৰু সাধকৰ মনক শৰৰ লগত তুলনা কৰা হৈছে। ধনু-শৰৰ মিলন আৰু সুপ্ৰয়োগত যেনেকৈ চিকাৰ বিদ্ধ হয় তেনেকৈ গুৰুৰ উপদেশ আৰু সাধকৰ মন সম্পূৰ্ণ সংযোজিত হলেহে সাধনা সিদ্ধ হয়। সাধনা-সিদ্ধিৰ নামান্তৰেই হ'ল নিৰ্বাণ-প্ৰাপ্তি। আলোচিত চৰ্য্যাৰ শবৰৰ চিত্তয়ো

১৪। ৪ নং চৰ্য্যাৰ পাদ-টীকাত পদ্মসমূহৰ স্থান সংক্ষেপে দেখুওৱা হৈছে।

সহজানন্দ পান কৰি মহাসুখচক্ৰত প্ৰৱেশ কৰিলে ; অৰ্থাৎ নৈৰাত্মাদেৱীৰ লগত শবৰৰ চিত্ত মিলি গ'ল, আগৰ সেই পাৰ্থিৱ স্বভাৱৰ শবৰ এতিয়া নাইকিয়া হ'ল ; নিৰ্বিকল্প সাধনাৰ বলত শবৰে পৰম নিৰ্বাণ লাভ কৰিলে।

### শব্দ-টোকা

উষ্ণা উষ্ণা পাবত — ওখ ওখ পৰ্বত ; দেহৰূপ সুমেৰু পৰ্বত, তাৰে শিখৰত অৰ্থাৎ মূৰত অৱস্থিত মহাসুখচক্ৰ (তান্ত্ৰিকমতে সহস্ৰাৰ পদ্ম)। বসই সবৰী বালী — শবৰী বালিকাই বাস কৰে অৰ্থাৎ বজ্ৰধৰ শবৰৰ গৃহিণী জ্ঞানৰূপা নৈৰাত্মাদেৱী বাস কৰে। মোৰঙ্গি পীচ্ছ পৰহিণ — ময়ূৰৰ দীঘল পাখিযুক্ত পিছভাগ বা ফিচা পৰিহিত, অৰ্থাৎ ভাৱ-বিকল্পৰূপ ময়ূৰৰ নানা ৰং-চঙীয়া ফিচাৰে নিজৰ স্বৰূপ অলঙ্কৃত কৰি ৰাখিছে। গীৱত — গ্ৰীৱাত, ডিঙিত। গীৱত গুঞ্জৰী মালী — ডিঙিত তথা সম্ভোগচক্ৰত গুহ্যমন্ত্ৰৰূপ গুঞ্জাৰ মালা পিন্ধি ; 'গ্ৰীৱায়াং সম্ভোগচক্ৰে গুহ্যমন্ত্ৰমাবিকেপি বিধৃতা' — টীকা। উমত সবৰো — উন্মত্ত শবৰ ; বিষয়-বাসনাৰ হেতু বিহ্বল হোৱা শবৰ। মা কৰ গুলী — বৈষয়িক অনন্দত মত্ত হৈ ভুল নকৰিবা ঃ 'আনন্দাদিবিকল্পং মা কৰু' — টীকা। গুহাড়া — গোহাৰি, নিবেদন, বিনয় কৰি জনোৱা কথা, অনুৰোধ। গুহাড়া তোহৌৰী — তোমাক বিনয় কৰি কৈছো। নিঅ ঘৰিণী—নিজৰ গৃহিণী। নামে সহজ সুন্দাৰী— সহজ সুন্দৰী নামেৰে। মৌলিল — মুকুলিত হ'ল। গঅণত লাগেলি ডালী — (তৰুবৰৰ) ডাল-পাতে আকাশ ছুইছে ; অৰ্থাৎ পঞ্চস্কন্ধাত্মক বিষয়-বাসনাই মন আগুৰি ধৰিছে। একেলী সবৰী — অকলশৰীয়া শবৰী অৰ্থাৎ নৈৰাত্মাদেৱী। এ বণ— এই বণত ঘুৰি ফুৰে ; 'বণ' শব্দই কায়- পৰ্বত-বন অৰ্থাৎ জীৱ-জগতক বুজাইছে। হিণ্ডই —(হিণ্ডতি), ঘুৰি ফুৰে। কৰ্ণ্ণ কুণ্ডল বজ্ৰধাৰী — কাণত কুণ্ডল, কণ্ঠত বজ্ৰ ধাৰণকাৰিণী (শবৰী)। কুণ্ডল শব্দই পঞ্চমুদ্ৰা আদি বিবিধ ভঙ্গী বা বিষয়ক বুজাইছে। বজ্ৰ শব্দই উপায় আৰু জ্ঞান বুজাইছে। তিঅ ধাউ খাট পড়িলা — কায়-বাক্-চিত্তৰূপ তিনি ধাতুৰ খাট পাৰিলে (বা সাজিলে)। সবৰো মহাসুহে সেজি ছাইলী — শবৰে পৰম আনন্দৰে শয্যা ঠিক-ঠাক কৰিলে। তিঅ — তিনি। ধাউ — ধাতু। সেজি — শয্যা, বিছনা। ছাইলী — ছাওৱা হ'ল (< ছাদিত-), সাজি তোলা হ'ল বা তৈয়াৰ কৰিলে। সবৰো ভুজঙ্গ — শবৰৰ চিত্তক ভুজঙ্গ বোলা হৈছে। সাপে যিদৰে দৃঢ়ভাৱে মেৰাই ধৰে শবৰৰ চিত্তয়ো সেইদৰে নৈৰাত্মাদেৱীক আকোৱালি লৈছে। ণইৰামণি দাৰী — ক্লেশ-নাশকাৰিণী নৈৰাত্মাদেৱী। পেম্ম — প্ৰেম, প্ৰেমেৰে, পৰম তৃপ্তিৰে। ৰাতি পোহাইলী — ৰাতি পুৱালে। হিঅ তাঁবোলা — হিয়াৰূপ তামোল। মহাসুহে কাপুৰ খাই[১৫] — কৰ্পূৰৰূপ

১৫। অসমীয়া সমাজত তামোলৰ লগত কৰ্পূৰ খোৱা ৰুচি বা নীতি অতি পুৰণি কালৰ পৰাই আছিল। মাধৱদেৱে অৰ্জ্জুন ভঞ্জন নাটত লিখিছে—'(যশোদাই) কৰ্পূৰ তাম্বুল ভুঞ্জিয়ে জৈছন দধি মথিতে লাগল তাহে দেখহ সুনহ।'

শূন্যতাক গ্ৰহণ কৰি, অৰ্থাৎ চিত্তক অচিন্তত লীন কৰি। সুন নিৰামণি — সৰ্বশূন্যা নৈৰাত্মাদেৱী। কণ্ঠে লইআ মহাসুহে ৰাতি পোহাই — কণ্ঠত অৰ্থাৎ সম্ভোগচক্ৰত নৈৰাত্মাৰ সৈতে মহাসুখেৰে ৰাতি পুৱায়। ৰাতি বুলিলে আন্ধাৰ নিশাক বুজায় ; ইয়াত আন্ধাৰক ক্লেশ আদিৰ লগত তুলনা কৰা হৈছে। 'ৰাতি পোহাই' শব্দৰ দ্বাৰা ক্লেশ গুচাই পোহৰ লাভ কৰা অৰ্থ বুজাইছে। গুৰুবাক্ পুঞ্চআ — গুৰুৰ উপদেশ ৰূপ ধনু। বিন্ধ নিঅ মণেঁ বাণেঁ— নিজৰ মনৰূপ বাণ ( শৰ) ধনুত সংযোজিত কৰি ।একে সৰসন্ধাণেঁ বিন্ধহ ইত্যাদি — একেপাট শৰেৰে শবৰে চিকাৰতুল্য নিৰ্বাণক বিন্ধি পেলালে ; অৰ্থাৎ অবিদ্যাৰূপ বাসনা-দোষ নাশ কৰি শবৰে নিৰ্বাণ লাভ কৰিলে। উমত সবৰো গৰুআ ৰোষে—সহজানন্দ পান কৰি শবৰৰ চিত্ত উন্মত্ত হৈ উঠে ; জ্ঞানানন্দৰ আবেগত তেওঁৰ অধীৰ হৈ পৰে। গিৰিবৰ-সিহৰ সন্ধি পইসন্তে -- পৰ্বতৰ শৃঙ্গৰ মাজত প্ৰৱেশ কৰিলে ; তত্ত্বমতে, মহাসুখচক্ৰৰ পিনে গতি কৰিলে। সিহৰ — শিখৰ, শৃঙ্গ। পইসন্তে — (প্ৰৱেশ কৰোঁতে), প্ৰৱেশ কৰিলে, অৰ্থাৎ লীন গ'ল। লোড়িব কইসেঁ — কেনেকৈ বিচাৰি পোৱা যাব ? — 'তত্ৰ নিমগ্নে সতি ময়া........ সিদ্ধাচাৰ্য্যেণ কথং অন্বেষয়িতব্যঃ'— টীকা।